দেশখনৰ অন্তিম উপভোক্তাসকলৰ হাতলৈ প্ৰবাহিত হোৱা দ্ৰব্য-সামগ্ৰী ... হ'ল জাতীয় আয়।"

ii) ড° ভি. কে. আৰ. ভি ৰাওৰ মতে, "জাতীয় আয় হ'ল কোনো এক নিৰ্দিষ্ট সময়ত দেশখনত প্ৰচলিত সকলো দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ মুদ্ৰাগত মূল্য, যিবোৰ বজাৰত বিক্ৰী কৰিব পাৰি আৰু তাৰপৰা আমদানি দ্ৰব্যৰ মূল্য বস্তু দিব লাগিব।"

## 1.8. জাতীয় আয়ৰ লগত জড়িত বিভিন্ন ধাৰণাসমূহ (Various concepts associated with National Income) ঃ

এখন দেশৰ অৰ্থনৈতিক প্ৰগতিৰ পৰিচায়ক জাতীয় আয়ৰ লগত বিভিন্ন ধাৰণা জড়িত হৈ থকা পৰিলক্ষিত হয়। এই ধাৰণাসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল ঃ-

### i) মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product বা চমুকৈ GDP) ঃ

কোনো এখন দেশৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত কোনো এক নিৰ্দিষ্ট সময়ত (সাধাৰণতে এটা বিত্তীয় বৰ্ষ) দেশখনৰ নাগৰিক বা বিদেশী নাগৰিকে উৎপাদন কৰা দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ মুঠ মুদ্ৰা মূল্যক মুঠ ঘৰুৱা উৎপাদন বোলা হয়। ভাৰতৰ ক্ষেত্ৰত, কোনো এটা বছৰৰ 1 (এক) এপ্ৰিলৰ পৰা তাৰ পিছৰ বছৰৰ 31 মাৰ্চলৈকে এটা বিত্তীয় বৰ্ষ বুলি ধৰা হয়।

এখন দেশৰ মুঠ ব্যক্তিগত উপভোগ, মুঠ বিনিয়োগ, মুঠ চৰকাৰী ব্যয় আৰু বাণিজ্যিক সমতা (Trade Balance) যোগ কৰি মুঠ ঘৰুৱা উৎপাদন নিৰ্ণয় কৰিব পাৰি। ৰপ্তানিৰ পৰিমাণ আৰু আমদানিৰ পৰিমাণৰ মাজৰ পাৰ্থক্যক বাণিজ্যিক সমতা আখ্যা দিয়া হয়। প্ৰতীকৰ সহায়ত মুঠ ঘৰুৱা উৎপাদন নিৰ্ণয়ৰ সমীকৰণক তলত দিয়াৰ দৰে প্ৰকাশ কৰিব পাৰি ঃ-

$$GDP = C+I+G+(X-M)$$

ইয়াত GDP = মুঠ ঘৰুৱা উৎপাদন

C = মুঠ ব্যক্তিগত উপভোগ

I = মুঠ বিনিয়োগ

G = মুঠ চৰকাৰী ব্যয়

X-M = বাণিজ্যিক সমতা

**a) বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product at Market Price বা চমুকৈ $GDP_{MP}$) ঃ**

কোনো এক নিৰ্দিষ্ট সময়ত এখন দেশৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত উৎপাদিত সকলো চূড়ান্ত বা অন্তিম দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ মুঠ মুদ্ৰামূল্যই হ'ল বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন ($GDP_{MP}$)। $GDP_{MP}$ ৰ মান নিৰূপণৰ বাবে দেশখনত উৎপাদিত সকলো দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ পৰিমাণক ইয়াৰ দৰ বা বজাৰ মূল্যৰে পূৰণ কৰিব লাগিব। প্ৰতীকৰ সহায়ত ইয়াক তলত দিয়াৰ দৰে প্ৰকাশ কৰিব পাৰি -

$GDP_{MP} = PXQ$

ইয়াত $GDP_{MP}$ = বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন

P = বজাৰ মূল্য

Q = চূড়ান্ত দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ পৰিমাণ

**b) উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন (Gross Domestic Product at Factor Cost বা চমুকৈ $GDP_{FC}$) ঃ**

এখন দেশৰ ভৌগোলিক চাৰিসীমাৰ ভিতৰত কোনো এক নিৰ্দিষ্ট সময়ত দেশখনৰ উৎপাদন কাৰ্যত জড়িত উৎপাদনৰ উপাদানসমূহৰ আয় যেনে - খাজনা, মজুৰি, সুদ আৰু লাভৰ সমষ্টিক উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন ($GDP_{FC}$) বোলা হয়। বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদনৰ পৰা প্ৰকৃত পৰোক্ষ কৰ (Net indirect tax) বিয়োগ কৰিলে উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন পোৱা যায়। পৰোক্ষ কৰৰ পৰিমাণ আৰু ৰেহাইৰ পৰিমাণৰ মাজৰ পাৰ্থক্যক প্ৰকৃত পৰোক্ষ কৰ বোলা হয়। প্ৰতীকৰ সহায়ত প্ৰকাশ কৰিলে আমি পাওঁ -

$GDP_{FC} = GDP_{MP}$ - Net indirect tax

ইয়াত $GDP_{FC}$ = উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন

GDPMP = বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন

Net indirect tax = প্ৰকৃত পৰোক্ষ কৰ।

**ii) প্ৰকৃত বা নিখুঁট ঘৰুৱা উৎপাদন (Net Domestic Product বা চমুকৈ (NDP) ঃ**

জাতীয় আয়ৰ দ্বিতীয় গুৰুত্বপূৰ্ণ ধাৰণা হৈছে প্ৰকৃত ঘৰুৱা উৎপাদন। দেশ এখনৰ উৎপাদন কাৰ্যত ব্যৱহৃ মূলধনী সা-সামগ্ৰীৰ ইয়াৰ উৎপাদনৰ সময়ত যথেষ্ট ক্ষয়-ক্ষতি হয় বা হ'ব পাৰে। এই মূলধনী সামগ্ৰীৰ ক্ষয়-ক্ষতি আ প্ৰতিস্থাপনত হোৱা ব্যয়ক অৱক্ষয় ব্যয় বোলা হয়। মুঠ ঘৰুৱা উৎপাদনৰ পৰা অৱক্ষয় ব্যয় বা ক্ষয়-ক্ষতিজনিত ব

(Depreciation cost) বিয়োগ কৰিলে প্ৰকৃত ঘৰুৱা উৎপাদন পোৱা যায়। অৰ্থাৎ -

প্ৰকৃত ঘৰুৱা উৎপাদন = মুঠ ঘৰুৱা উৎপাদন - অৱক্ষয় ব্যয়

(Net Domestic Product) = (Gross Domestic Product – Depreciation cost)

এখন দেশৰ প্ৰকৃত ঘৰুৱা উৎপাদন সদায় মুঠ ঘৰুৱা উৎপাদনতকৈ কম হয়। কিয়নো অৱক্ষয় ব্যয় কেতিয়া শূন্য নহয় বা শূন্য কৰিব নোৱাৰি। কেৱল এই ব্যয়ৰ হাৰ হ্ৰাস কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব পাৰি।

**a) বজাৰ মূল্যত প্ৰকৃত ঘৰুৱা উৎপাদন (Net Domestic Product at market price বা চমু $NDP_{MP}$) ঃ**

বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদনৰ পৰা অৱক্ষয় ব্যয় বিয়োগ কৰিলে বজাৰ মূল্যত প্ৰকৃত ঘৰুৱা উৎপাদন পো যায়। অৰ্থাৎ -

বজাৰ মূল্যত প্ৰকৃত ঘৰুৱা উৎপাদন = বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন – অৱক্ষয় ব্যয়

$$(NDP_{MP} = GDP_{MP} - \text{Depreciation})$$

**b) উপাদান ব্যয়ত প্ৰকৃত ঘৰুৱা উৎপাদন (Net Domestic Product at factor cost) বা চমু $NDP_{FC}$) ঃ**

উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদনৰ পৰা অৱক্ষয় ব্যয় বিয়োগ কৰিলে উপাদান ব্যয়ত প্ৰকৃত ঘৰুৱা উৎপা পোৱা যায়। অৰ্থাৎ -

উপাদান ব্যয়ত প্ৰকৃত ঘৰুৱা উৎপাদন = উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন – অৱক্ষয় ব্যয় -

$$(NDP_{FC} = GDP_{FC} - \text{Depreciation})$$

**iii) মুঠ জাতীয় উৎপাদন (Gross National Product বা চমুকৈ GNP) ঃ**

কোনো এক নিৰ্দিষ্ট সময়ত (সাধাৰণতে এবছৰ) এখন দেশৰ জনসাধাৰণৰ দ্বাৰা ( দেশৰ ভিতৰত বা বাহিৰ উৎপাদিত চূড়ান্ত দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ মুঠ বজাৰ মূল্যকে মুঠ জাতীয় উৎপাদন বোলা হয়। অৰ্থাৎ এখন দে নাগৰিকসকলে দেশখনৰ ভিতৰত বা বাহিৰত উৎপাদন কৰা দ্ৰব্য-সামগ্ৰী আৰু সেৱাসমূহ ইয়াত বিবেচনা কৰা হ ব্য-সামগ্ৰী আৰু সেৱাৰ পৰিমাণ একে থাকিলেও বজাৰ মূল্যৰ হ্ৰাস বৃদ্ধিয়ে মুঠ জাতীয় উৎপাদনৰ হ্ৰাস বৃদ্ধি ক ই সংজ্ঞা অনুসৰি, আমেৰিকা নিবাসী এজন ভাৰতীয়ৰ অৰ্জিত আয় ভাৰতৰ মুঠ জাতীয় উৎপাদনৰ অন্তৰ্ভূক্ত হ ন্তু ভাৰতত বসবাস কৰা এজন আমেৰিকাৰ নাগৰিকৰ অৰ্জিত আয় ভাৰতৰ মুঠ জাতীয় উৎপাদনৰ অন্তৰ্ভূক্ত নহ

মুঠ জাতীয় উৎপাদনত তলৰ চাৰি প্ৰকাৰৰ চূড়ান্ত দ্ৰব্য-সামগ্ৰী আৰু সেৱা অন্তৰ্ভূক্ত হয়। সেয়া হৈছে –

a) জনসাধাৰণৰ অভাৱ পূৰণৰ ক্ষমতা থকা উপভোগ্য দ্ৰব্য আৰু সেৱা।

b) মূলধনী সামগ্ৰীত কৰা মুঠ ব্যক্তিগত ...

d) দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ নিগুট বা প্ৰকৃত ৰপ্তানি (Net export) প্ৰকৃত ৰপ্তানি হৈছে দ্ৰব্য আৰু সেৱাৰ ৰপ্তানি মূল্য আৰু আমদানি মূল্যৰ মাজৰ পাৰ্থক্য।

**a) বজাৰ মূল্যত মুঠ জাতীয় উৎপাদন (Gross National Product at Market price বা চমুকৈ $GNP_{MP}$) ঃ**

কোনো এখন দেশত কোনো এক নিৰ্দিষ্ট বছৰত উৎপাদিত দ্ৰব্য-সামগ্ৰী আৰু সেৱাৰ মুঠ মুদ্ৰামূল্যৰ লগত বিদেশৰ পৰা আহৰণ কৰা প্ৰকৃত উপাদান আয়ক যোগ কৰিলে বজাৰ মূল্যত মুঠ জাতীয় উৎপাদন পোৱা যায়। বিদেশৰ পৰা আহৰণ কৰা প্ৰকৃত উপাদান আয় আৰু বিদেশী নাগৰিকে সেই দেশখনৰ পৰা অৰ্জন কৰা উপাদান আয়ৰ মাজৰ পাৰ্থক্য। প্ৰতীকৰ সহায়ত ইয়াক তলত দিয়াৰ দৰে প্ৰকাশ কৰিব পাৰি —

$$GNP_{MP} = GDP_{MP} + \text{Net factor income from abroad (NFIA)}$$

ইয়াত $GNP_{MP}$ = বজাৰ মূল্যত মুঠ জাতীয় উৎপাদন

$GDP_{MP}$ = বজাৰ মূল্যত মুঠ ঘৰুৱা উৎপাদন

NFIA = বিদেশৰ পৰা আহৰণ কৰা প্ৰকৃত উপাদান আয় ; এই আয় ধনাত্মক অথবা ঋণাত্মক হ'ব পাৰে।

**b) উপাদান ব্যয়ত মুঠ জাতীয় উৎপাদন (Gross National Product at factor cost বা চমুকৈ $GNP_{FC}$) ঃ**

এখন দেশত কোনো এক নিৰ্দিষ্ট সময়ত দেশখনৰ উৎপাদনৰ উপাদানসমূহে দেশৰ ভিতৰত বা বাহিৰত উৎপাদন কাৰ্যত জড়িত হৈ অৰ্জন কৰা উপাদান আয় যেনে - খাজনা, মজুৰি, সুদ, লাভ আদিৰ মুঠ মুদ্ৰামূল্যক উপাদান ব্যয়ত মুঠ জাতীয় উৎপাদন বোলা হয়। বজাৰ মূল্যত মুঠ জাতীয় উৎপাদনৰ পৰা নিগুট পৰোক্ষ কৰ বাদ দিলে উপাদান ব্যয়ত মুঠ জাতীয় উৎপাদন পোৱা যায়। প্ৰতীকৰ সহায়ত,

$$GNP_{FC} = GNP_{MP} - \text{Net indirect tax}$$

ইয়াত $GNP_{FC}$ = উপাদান ব্যয়ত মুঠ জাতীয় উৎপাদন

$GNP_{MP}$ = বজাৰমূল্যত মুঠ জাতীয় উৎপাদন

Net indirect tax = প্ৰকৃত পৰোক্ষ কৰ।

$GNP_{FC}$ তলত দিয়াৰ ধৰণেৰেও নিৰ্ণয় কৰিব পাৰি -

$$GNP_{FC} = GDP_{FC} + NFIA$$

ইয়াত $GDP_{FC}$ = উপাদান ব্যয়ত মুঠ ঘৰুৱা উৎপাদন।

NFIA = বিদেশৰ পৰা আহৰণ কৰা প্ৰকৃত উপাদান আয়।

**iv) প্ৰকৃত বা নিগুট জাতীয় উৎপাদন (Net National Product বা চমুকৈ NNP) ঃ**

জাতীয় আয়ৰ লগত জড়িত অন্য এক গুৰুত্বপূৰ্ণ ধাৰণা হ'ল প্ৰকৃত জাতীয় উৎপাদন। প্ৰকৃত জাতীয় উৎপা